# কবিতা
# আঘোণৰ কুঁৱলী - কেশৱ মহন্ত

---

**অতি চমু প্ৰশ্নৰ উত্তৰ ( মূল্যাংক ১ )**

প্ৰশ্ন ১.কবি কেশৱ মহন্তই কোনখন কাব্যগ্ৰন্থৰ বাবে সাহিত্য অকাদেমি বঁটা লাভ কৰিছিল ?

উত্তৰঃ কবি কেশৱ মহন্তই 'মোৰ যে কিমান হেঁপাহ' গ্ৰন্থৰ বাবে সাহিত্য অকাদেমি বঁটা লাভ কৰিছিল ।

প্ৰশ্ন ২.কেশৱ মহন্তৰ দ্বাৰা ৰচিত এখন গীতৰ পুথিৰ নাম লিখা ।

উত্তৰঃ কেশৱ মহন্তৰ গীতৰ পুথিখন হৈছে 'মোৰ যে কিমান হেঁপাহ' ।

প্ৰশ্ন ৩.'পছোৱা'আলোচনী কোনগৰাকী সাহিত্যিকে সম্পাদনা কৰিছিল ?

উত্তৰঃ পছোৱা'আলোচনী হেম বৰুৱাই সম্পাদনা কৰিছিল ।

প্ৰশ্ন ৪.কেশৱ মহন্তই কোনখন আললাচনীত প্ৰথমতেকবি হিচাপে আত্মপ্ৰকাশ কৰিছিল ?

উত্তৰঃ 'জয়ন্তী'ৰ পাতত কেশৱ মহন্তই কবি হিচাপে আত্মপ্ৰকাশ কৰে ।

প্ৰশ্ন ৫.'আঘোণৰ কুঁৱলী' শীৰ্ষক কবিতাটিত উল্লেখ থকা ' সেউতী কোন ?

উত্তৰঃ সেউতী কবিৰ কল্পনাৰ প্ৰেয়সী, এগৰাকী দাৱনী ।

## চমু প্ৰশ্নৰ উত্তৰ ( মূল্যাংক ২/৩ )

প্ৰশ্ন ১.‘জয়ন্তী’ৰ কবিসকলৰ কবিতাৰ দুটা বৈশিষ্ট্য লিখা ।

উত্তৰঃ জয়ন্তীৰ কবিসকলৰ কবিতাৰ দুটা বৈশিষ্ট্য হল—

( ক ) কবিতাসমূহ সাম্যবাদী তথা প্ৰগতিশীল ভাবধাৰাৰ ।

( খ ) ‘ জয়ন্তী’ৰ কবিতাসমূহত কৃষক , শ্ৰমিক আদি সাধাৰণ শ্ৰেণীৰ লোকৰ সুখ - দুখ আৰু সংগ্ৰামৰ প্ৰতিচ্ছবি প্ৰকাশ পায় ।

প্ৰশ্ন ২.অসমীয়া কবিতাৰ আধুনিক যুগ সৃষ্টিত বিশেষ অৰিহণা যোগোৱা তিনিখন আলোচনীৰ নাম লিখা ।

উত্তৰঃ অসমীয়া কবিতাৰ আধুনিক যুগ আৰম্ভ হয় প্ৰকৃতাৰ্থত কুৰি শতিকাৰ ছল্লিছৰ দশকত । এই যুগসৃষ্টিত বিশেষ ভূমিকা পালন কৰে কমল নাৰায়ণ দেৱ আৰু চক্ৰেশ্বৰ ভট্টাচাৰ্য দ্বাৰা সম্পাদিত ‘জয়ন্তী’ আলোচনীয়ে । জয়ন্তী’ৰ পৰৱৰ্তী কালত প্ৰকাশ পোৱা হেম বৰুৱা সম্পাদিত পছোৱা’ আৰু ড ° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ দ্বাৰা সম্পাদিত ৰামধেনু’আলোচনীৰ জৰিয়তে অসমীয়া কবিতাৰ আধুনিক ৰূপটিৰ বিকাশ সাধন হয় ।

প্ৰশ্ন ৩.কেশৱ মহন্তৰ দুখন কবিতাপুথিৰ নাম লিখা ।

উত্তৰঃ কেশৱ মহন্তৰ দুখন কবিতাপুথি হ'ল— আমাৰ পৃথিৱী আৰু ‘আগন্তুক ।

প্ৰশ্ন ৪.‘আঘোণৰ পথাৰত কাম আৰু কাম’— কবিয়ে আঘোণৰ পথাৰত থকা কি কাম’ৰ বিষয়ে ইংগিত কৰিছে ?

উত্তৰঃ আঘোণৰ পথাৰত দাৱনীসকলৰ ব্যস্ততাৰ কথা ক'বলৈ গৈ কবিয়ে এনেদৰে উল্লেখ কৰিছে ।

আঘোণৰ পথাৰ সোণালী ধানেৰে উপচি পৰে । আঘোণৰ এই সোণবৰণীয়া ধাননি পথাৰ আঘোণৰ কুঁৱলীয়ে চকুৰে নমনা কৰি ঢাকি ধৰিলেও দাৱনীসকলৰ তাত কৰিবলগীয়া কাম আছে । এই কুঁৱলীৰ মাজতেই দাৱনীসকলে লিহিৰি লিহিৰি আঙুলিৰে মুঠি মুঠি ধান কাচিৰে কেকেঁকৈ কাটে , খিখিকৈ হাঁহি হাঁহি তৰা - জৰীৰে ডাঙৰি বান্ধে । আঘোণৰ কুঁৱলীয়ে পথাৰ ঢাকি ধৰি থাকিলেও আঘোণৰ পথাৰত কাম পূৰ্ণোদ্যমে চলি থাকে , পথাৰত দাৱনীৰ কামেই কাম ।

প্ৰশ্ন ৫.'উৰুলি ' আৰু 'ৰাগি' শব্দ দুটাৰ অৰ্থ লিখা ।

উত্তৰঃ 'উৰুলি'ৰ অৰ্থ শুভ কাৰ্যত তিৰোতাসকলে মুখেৰে কৰা ধ্বনি বিশেষ আৰু ৰাগি'ৰ অৰ্থ— নিচা , মাদকতা ।

## দীঘল প্ৰশ্নৰ উত্তৰ ( মুল্যাংক ৪/৫ )

প্ৰশ্ন ১.আঘোণৰ কুঁৱলীয়ে কবিক কিদৰে আমনি কৰিছে বুজাই লিখা ।

উত্তৰঃ আঘোণৰ সোণবৰণীয়া ধাননি পথাৰত ৰূপহী দাৱনীজাকে খিলখিলকৈ হাঁহি মাতি ধান দাবলৈ ধৰিছে । এই কথা গম পাই কবিয়ে তেওঁৰ প্ৰেয়সী সেউতীজনীও সেই দাৱনীজাকত আছে নেকি চাবলৈ বিচাৰিছিল যদিও আঘোণৰ কুঁৱলীয়ে চকুৰে মণিব নোৱাৰাকৈ ঢাকি ধৰা ধাননি পথাৰ , দাৱনীজাক একোকেই কবিয়ে দেখা নাপালে । ইতিমধ্যে সেই কুঁৱলীৰ মাজেৰেই মন চঞ্চল কৰা কলৰৱ ধ্বনি কৰি বন - হাঁহ এজাক ক'ৰবাৰ বিললৈ আকাশেৰে উৰি গুচি গ'ল । তাকে দেখি তেওঁৰ প্ৰাণ - প্ৰিয়াক বিচাৰি যোৱা মনটোৱেও বন - হাঁহৰ দৰে উৰি উৰি যেন বন শেষ কৰিলে ; কিন্তু সেউতীক বিচাৰি নাপালে ; সেউতীক বিচাৰি যোৱা বাটবোৰ যেন আঘোণৰ কুঁৱলীয়ে ভেটা দি ধৰিছে ।

প্ৰশ্ন ২.আঘোণৰ পথাৰৰ মন পৰশা চিত্ৰ আঘোণৰ কুঁৱলীত কেনেদৰে প্ৰকাশ পাইছে পাইছে আলোচনা কৰা ।

উত্তৰঃ ‘আঘোণৰ কুঁৱলী’ কবিতাত গীতিকাৰ , কবি কেশৱ মহন্তই আঘোণৰ পথাৰৰ এটি মন পৰশা চিত্ৰ অংকন কৰিছে । কবিতাটিত আঘোণৰ পথাৰৰ সোণবৰণীয়া ধাননিৰ মনোমোহা পৰিৱেশৰ মাজত নিৰ্ভজ প্ৰেমৰ সন্ধান আৰু আঘোণৰ কুঁৱলীয়ে বাট ভেটি প্ৰেমৰ পথত আমনি কৰাত কবিৰ অন্তৰত যি বিষাদবোধ তাৰো সহজ - সৰল প্ৰকাশ ঘটিছে ।

আঘোণৰ পথাৰ সোণবৰণীয়া ধানেৰে উপচি পৰি অতি মনোমোহা হৈ পৰিছে । দাৱনীয়ে মূৰত আকৰ্ষণীয় খোপা বান্ধি হাতত কাচি লৈ লিহিৰি লিহিৰি আঙুলিৰে মুঠি মুঠি ধান কেকেঁকৈ কাটিব লাগিছে , যেন দাৱনীয়ে মূৰ তুলি চাবলৈকে সময় পোৱা নাই । কিন্তু এনে সুন্দৰ পৰিৱেশকো আঘোণৰ কুঁৱলীয়ে ঢাকি ধৰি একো নমনা কৰি আমনি কৰিছে । তথাপিতো দাৱনীসকলৰ প্ৰাণ চঞ্চল হাঁহি - খিকিন্দালিয়ে পৰিৱেশত মধুৰতা ঢালিছে ।

আঘোণৰ কুঁৱলীয়ে নেদেখাকৈ ঢাকি ধৰি আমনি নকৰাহেঁতেন ‘ অলপ দূৰৰ পৰা নোচোৱাৰ ভাও ধৰি ’ কবিয়ে তেওঁৰ প্ৰেয়সী সেউতী সেই দাৱনীসকলৰ মাজত আছিল নেকি হয়তো চাব পাৰিলেহেঁতেন । তথাপি কবিয়ে ভাবিছে তামোলৰ পিকেৰে ওঁঠ ৰঙা কৰি ডালিমী দাঁতেৰে হাঁহি হাঁহি ডাঙৰি বন্ধাৰ লগ বিচাৰি আনন্দতে ‘ যাঃ ' বুলি ঠেলা মৰা তেওঁৰ সেই সেউতীজনী কিজানিবা তাত আছেই তাৰ গম ল’ব নোৱাৰিনে ! কিন্তু এই সকলোতে আমনি কৰিছে আঘোণৰ কুঁৱলীয়ে ঢাকি ধৰি একোকে নমনা কৰি ।

আঘোণৰ এই মন পৰশা পৰিৱেশৰ মাজতেই আকাশেৰে জাকি মাৰি বন - হাঁহ উৰি কোনোবা বিললৈকে গুচি যায়গৈ । সিহঁতৰ কলৰৱ ধ্বনিয়ে আকাশত উৰুলি ৰাগি তোলে । লগে লগে কবিয়েও মন - হাঁহ খেদি খেদি

বন শেষ কৰিও সিহঁতক লগ ধৰিব নোৱাৰে ; কাৰণ আঘোণৰ কুঁৱলী ঢাকি ধৰি একোকে নমনা কৰি ৰাখিছে ; কুঁৱলীয়ে বাট ভেটি ধৰিছে ।

আঘোণৰ কুঁৱলীত আঘোণৰ ধাননি লুকাল , দাৱনী লুকাল আৰু সেই দাৱনীসকলৰ লগতে কবিৰ সেউতীজনীও হেৰাল ; মাথোন থাকি গ'ল সেউতীৰ লগত ডাঙৰি বান্ধিম বুলি তুলি অনা তৰা - জৰীকেইডাল ।

প্ৰশ্ন ৩.আঘোণৰ কুঁৱলী'শীৰ্ষক কবিতাটিত সহজ - সৰল প্ৰেমৰ চিত্ৰ কেনেদৰে অংকিত হৈছে বুজাই লিখা ।

উত্তৰঃ 'আঘোণৰ কুঁৱলী' কেশৱ মহন্তৰ এটি মনোৰম কবিতা । এই কবিতাটিৰ মাজেৰে আঘোণৰ সোণবৰণীয়া পথাৰৰ মন পৰশা পৰিৱেশ দাঙি ধৰাৰ লগতে এটি সহজ - সৰল নিভাজ প্ৰেমৰ চিত্ৰও অংকিত কৰিছে ।

আঘোণৰ কুঁৱলীয়ে একো নমনাকৈ সোণবৰণীয়া ধাননি পথাৰ আৰু ধাননি পথাৰত মুঠি মুঠি ধান কাচিৰে কাটি হাঁহি - খিকিন্দালি কৰি থকা সুন্দৰকৈ তুলি বন্ধা খোপাৰে শুৱনি দাৱনীহঁতক ঢাকি ধৰি থাকিলেও কবিয়ে তাৰ মাজতেই তেওঁৰ মৰমৰ প্ৰেম - প্ৰিয়া সেউতীক বিচাৰি চাব বিচাৰিছে ; কিন্তু তেনে কাৰ্যত কবিক আঘোণৰ কুঁৱলী একো নমনা কৰি ঢাকি ধৰি বৰকৈ আমনি কৰিছে । কবিৰ প্ৰেয়সী সেউতীয়েও ধান কাটিবলৈ আহে ; তেওঁকেই লগ বিচাৰি তৰা জৰীৰে ডাঙৰি বান্ধিবলৈ আহে , — " যাঃ ' বুলি তেওঁক ঠেলা মাৰি খিখিকৈ হাঁহে । আঘোণৰ কুঁৱলীৰ মাজতে ধান দাই থকা দাৱনীসকলৰ মাজত সেউতী আহিছে নেকি অলপ দূৰত বৈ নোচোৱাৰ ভাও ধৰি চাবলৈকো কবিয়ে পৰা নাই , আঘোণৰ কুঁৱলীয়ে তেওঁক আমনি কৰিছে । ইয়াৰ মাজতে সেউতীক তেওঁৰ কথা কৈছিল নে নাই — এই কথাও কবিয়ে বৌৱেকক সুধিছে । কবিৰ মন বিষাদেৰে ভৰি পৰিছে , এই কাৰণেই আঘোণৰ কুঁৱলীৰ মাজত তেওঁ প্ৰিয়া সেউতী হেৰাই গ'ল ; থাকিল মাথোঁ সেউতীৰে ডাঙৰি বান্ধিম বুলি তুলি অনা তৰা - জৰীকেইডালহে ।

প্ৰশ্ন ৪.আঘোণৰ কুঁৱলীত কবিৰ অন্তৰ বিষাদবোধ কিদৰে প্ৰকাশ পাইছে বুজাই লিখা ।

উত্তৰঃ ‘আঘঘাণৰ কুঁৱলী’ কবিতাটিত আঘোণৰ সোণবৰণীয়া ধাননি পথাৰৰ মনোমোহা পৰিৱেশ অংকনৰ মাজতে সহজ - সৰল প্ৰেমৰ চিত্ৰ এটিও চিত্ৰিত হৈছে আৰু সেই প্ৰেমৰ চিত্ৰত এটি বিষাদবোধধা প্ৰকাশ পাইছে ।

আঘোণৰ কুঁৱলীয়ে ধাননি পথাৰ চকুৰে নমনা কৰি ঢাকি ধৰিছে । তাৰ মাজতে সুন্দৰী গাভৰু দাৱনীহঁতে হাঁহি - খিকিন্দালিৰে কাচিৰে মুঠি মুঠি ধান কাটিছে । এইসকল দাৱনীৰ মাজতে কবিৰ প্ৰেয়সী সেউতীজনীও আছে নেকি গম ল'বলৈ , অলপ দূৰৰ পৰা নোচোৱাৰ ভাও ধৰি চাবলৈও কবিয়ে বৰ অসুবিধা পাইছে , কিয়নো আঘোণৰ কুঁৱলীয়ে সোণবৰণীয়া ধাননি পথাৰকে নহয় দাৱনীসকলকো ঢাকি ধৰি চকুৰে নমনা কৰি ৰাখিছে ।

কবিয়ে তথাপি গম ল’বলৈ চেষ্টা কৰিছে তামোলৰ পিকেৰে ওঁঠ দুখনি বোলাই ডালিমী দাঁতেৰে খিলখিকৈ হাঁহি তেওঁৰ সৈতে ডাঙৰি বান্ধিবলৈ অহা , অভিমানত যাঃ ' বুলি তেওঁ ঠেলা মাৰি হাঁহি আঁতৰি যোৱা তেওঁৰ প্ৰাণ - প্ৰিয়া সেউতীজনী হয়তো নিশ্চয় আছে । কিন্তু ইমান চেষ্টা কৰা সত্বেও কবিয়ে সেউতীজনীৰ কোনো সন্ধানেই নাপালে ; চকুৰে সেউতীজনী নেদেখিলে । কাৰণ আঘোণৰ কুঁৱলীত ধাননি লুকাল , তেওঁৰ প্ৰাণ - প্ৰিয়াজনীও হেৰাল । মৰমৰ সেউতীজনীৰে ডাঙৰি বান্ধিবলৈ বৰ আশাৰে অনা তৰা জৰী তেওঁলোকৰ হাততে থাকি গ'ল । তেওঁ আৰু সেউতীজনীক লগনাপালে , নেদেখিলে । প্ৰাণ প্ৰিয়া সেউতীজনীক নেদেখি , লগ নাপাই কবিৰ মন বিষাদেৰে ভৰি পৰিল ।

প্ৰশ্ন ৫.প্ৰসংগ সংগতি দৰ্শাই ব্যাখ্যা কৰা

( ক ) আঘোণৰ পথাৰত দাৱনীৰ কাম আছে
মুঠি মুঠি ডাঙৰি ডাঙৰি,

কাম আছে
আঘোণৰ পথাৰত কাম আৰু কাম ।

উত্তৰঃ উক্ত কবিতাফাঁকি কেশৱ মহন্ত দ্বাৰা ৰচিত ‘আঘোণৰ কুঁৰলী’ নামৰ কবিতাটোৰ তুলি দিয়া হৈছে ।

কবিতাফাঁকিৰ মাধ্যমেৰে কবিয়ে আঘোণৰ পথাৰত দাৱনীৰ লানি নিছিগা কামৰ সম্পৰ্কৰ প্ৰসংগ ব্যক্ত কৰিছে ।

আঘোণৰ পথাৰত দাৱনীৰ তল মূৰ ওপৰ কৰিব নোৱাৰা নিচিনাকৈ কাম থাকে । দাৱনীবোৰে নিজৰ নিজৰ কাচিৰ সৈতে মুঠি মুঠি ধান কাটে । দাৱনীৰ আন এক উল্লেখনীয় কাম হ’ল- তেওঁলোকে মুঠি মুঠি সোণ গুটি ধান কাটি ডাঙৰিৰ পৰিপেক্ষিতত সাজু কৰে । সেয়েহে কবি কেশৱ মহন্তই আঘোণৰ পথাৰত দাৱনীৰ আহৰি নোপোৱা কাম আছে বুলি এই কবিতাংশত অভিহিত কৰিছে ।

( খ ) ‘আঘোণৰ আকাশেদি কোনোবা বিললে
মন কাঢ়ি বন-হাঁহ জাকি মাৰি গ’ল ।
ৰাগি আছে,
আঘোণৰ আকাশত ৰাগি আৰু ৰাগি ।

উত্তৰঃ উক্ত কবিতাফাঁকি কেশৱ মহন্ত দ্বাৰা ৰচিত ‘আঘোণৰ কুঁৰলী’ নামৰ কবিতাটোৰ তুলি দিয়া হৈছে ।

কবিতাফাঁকিৰ মাধ্যমেৰে কবিয়ে আঘোণৰ পথাৰৰ আকাশৰ পৰিস্ফূৰ্ট হোৱা এক অন্যতম ৰাগিৰ কথা ব্যক্ত কৰিছে ।

আঘোণৰ পথাৰত আকাশৰ পৰা এক উৰুলিৰ ৰাগি বিদ্যমান হয় । কবি কেশৱ মহন্তই উল্লেখ কৰিছে যে দাৱনীবোৰে পথাৰত উৎসাহ উদ্দীপনাৰ সৈতে যি অতুলণীয় কাম-কাজ কৰে সেয়া এক ৰাগিৰ সৃষ্টি

কৰে। কবিজনাৰ মতে এই ৰাগি সমগ্ৰ আকাশ জুৰি বিয়পি অৰ্থাৎ পৰিস্ফুৰ্টি হৈ আছে।

( গ ) আঘোণৰ কুঁৱলীত ধাননী লুকালে
আঘোণৰ কুঁৱলীয়ে দাৱনী ঢাকিলে
আঘোণৰ কুৱলীতে সেউতী হেৰালে
ডাঙৰি বান্ধিম বুলি তৰা-জৰী তোলাতে থাকিল।

উত্তৰঃ উক্ত কবিতাফাঁকি কেশৱ মহন্ত দ্বাৰা ৰচিত ‘আঘোণৰ কুঁৱলী’ নামৰ কবিতাটোৰ তুলি দিয়া হৈছে।

কবিতাফাঁকিৰ মাধ্যমেৰে কবিয়ে আঘোণৰ পথাৰত কুঁৱলীয়ে কৰা আমনি আৰু অসুবিধাসমূহৰ প্ৰসংগ ব্যক্ত কৰিছে।

আঘোণৰ কুঁৱলীয়ে বাট ভেটি কবিক আমনি কৰিছে। কবিৰ ভাব হয় কুঁৱলী নথকা হ’লে তেওঁ সোণবৰনীয়া ধানৰ মনোমোহা দৃশ্য দেখিলেহেঁতেন। মূৰত আধাবন্ধা খোপায়ে ওপৰলৈ মূৰ তুলিবলৈ সময় নোপোৱা দাৱনীৰ লিহিৰি আঙুলিৰ চিক চিকীয়া কাচিৰে কেচ কেচকৈ মুঠি মুঠি ধান কাটি থকাৰ দৃশ্যও তেওঁ দেখিলেহেতেন।
আঘোণৰ বাটটো কুৱলীৰ ঢকা। মনহাঁহ খেদি বনশেষ হ’ল, কবিৰ বৌয়েকে কবিক সেউতিৰ কথা কৈছিল, কিন্তু কবিৰ মনত প্ৰশ্ন জাগিছে যে তেওঁৰ কথা সেউতীক কৈছিল জানো ? আঘোণৰ কুঁৱলীত ধাননি লুকালে, দাৱনিক ঢাকিলে, সেউতীও হেৰাল। কবিক উপেক্ষিত কৰি হাতৰ তৰাজৰী হাততে থাকিল।

এইদৰে কবিয়ে উল্লেখ কৰিছে যে কুঁৱলীৰ বাবে ধাননী লুকালে, দাৱনী ঢাকিলে, সেউতী হেৰালে আৰু ডাঙৰি বান্ধিম বুলি তৰা-জৰী তোলাতে থাকিল।